## ১ (ঘ) স্বল্পবিক্রেতাৰ বজাৰ (Oligopoly)

যিবোৰ বজাৰ ব্যৱস্থাত মাত্ৰ কেইজনমান বিক্রেতা বা উৎপাদন প্রতিষ্ঠানে অংশগ্রহণ কৰে তাকেই স্বল্পবিক্রেতাৰ বজাৰ বুলি কোৱা হয়। এই বজাৰত উৎপাদিত দ্রব্যবোৰ কেতিয়াবা পার্থক্যজনিত (differential products) আৰু কেতিয়াবা পার্থক্যবিহীন (homogenous products) হোৱা দেখা যায়। সেয়েহে স্বল্পবিক্রেতাৰ বজাৰ ব্যৱস্থাক একচেটিয়াধর্মী প্রতিযোগিতা বজাৰ ব্যৱস্থা আৰু পূর্ণ প্রতিযোগিতামূলক বজাৰ ব্যৱস্থাৰ মাজৰ অৱস্থা বুলিও কোৱা হয়।

Scanned with CamScanner

## ১ (ঙ) অভিধাৰণা (Assumptions)

১। স্বল্পবিক্ৰেতাৰ বজাৰ ব্যৱস্থাত উৎপাদন প্ৰতিষ্ঠানসমূহ পাৰস্পৰিকভাৱে নিৰ্ভৰশীল হয়। সেয়েহে এই বজাৰত প্ৰতিখন উৎপাদন প্ৰতিষ্ঠানে নিজৰ উৎপাদিত দ্ৰব্যৰ দৰ আৰু পৰিমাণ নিৰূপণ কৰোতে প্ৰতিদ্বন্দ্বী (Rival) প্ৰতিষ্ঠানসমূহৰ আচৰণ আৰু প্ৰতিক্ৰিয়াৰ ওপৰত নজৰ ৰাখিবলগীয়া হয়। অৰ্থাৎ কোনো প্ৰতিষ্ঠানে নিজাববীয়াকৈ দৰ আৰু উৎপাদনৰ পৰিমাণ বজাৰত নিৰ্ধাৰণ কৰা দেখা নাযায়।

২। স্বল্পবিক্ৰেতাৰ বজাৰত উৎপাদন প্ৰতিষ্ঠানৰ উৎপাদিত দ্ৰব্যৰ চাহিদা বা গড় আয় (AR) ৰেখাৰ আকাৰ আৰু অৱস্থান অনিশ্চিত হয়। এই বজাৰত উৎপাদন প্ৰতিষ্ঠানসমূহ পৰস্পৰ নিৰ্ভৰশীল হয় আৰু কোনো এখন প্ৰতিষ্ঠানৰ দৰৰ পৰিৱৰ্তনৰ ফলত আন প্ৰতিদ্বন্দ্বী প্ৰতিষ্ঠানসমূহে কৰা আচৰণ বা প্ৰতিক্ৰিয়া নিশ্চিত নহয়। প্ৰতিদ্বন্দ্বী প্ৰতিষ্ঠানসমূহে অনুকৰণ কৰিবও পাৰে আৰু নকৰিবও পাৰে। সেয়েহে এই বজাৰত সাধাৰণ দৰ স্থিৰ বা অপৰিৱৰ্তনীয় (Rigid) হয় আৰু উৎপাদন প্ৰতিষ্ঠানৰ চাহিদা ৰেখাই (AR) কোণীয় (Kinky) ৰেখাৰ আকৃতি লয়।

৩। পাৰস্পৰিক নিৰ্ভৰশীলতা আৰু অনিশ্চিত আচৰণৰ বাবে স্বল্পবিক্ৰেতাৰ বজাৰত উৎপাদন প্ৰতিষ্ঠানসমূহৰ মাজত তীব্ৰ প্ৰতিযোগিতাও হ'ব পাৰে নাইবা প্ৰতিষ্ঠানসমূহে একলগ হৈ উমৈহতীয়া দৰ আৰু পৰিমাণ নিৰ্ণয় কৰিবও পাৰে।

Scanned with CamScanner